**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 29-**05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

**::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

২। এয়াৰ ইণ্ডিয়াই ইজৰাইললৈ বিমান সেৱা বন্ধ ৰখাৰ বাবে লোৱা সিদ্ধান্তৰ ম্যাদ জুলাইৰ শেষ ভাগলৈকে বৃদ্ধি কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আহমেদাবাদত হ'বলগীয়া কমনৱেলথ গেমছ আৰু প্ৰস্তাৱিত অলিম্পিক ক্ৰীড়া মহোৎসৱৰ প্ৰস্তুতিৰ কালি পৰ্যালোচনা কৰে।

৪। পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি সেৱা চে সমৃদ্ধি শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত আজি ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ৰাছিয়াত আয়োজিত আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা মঞ্চৰ বৈঠকত কালি ভাষণ দি শ্ৰী ডোভালে কয়, যে সন্ত্ৰাসবাদ বিৰোধী যুঁজত দুতলীয়া নীতিৰ স্থান নাই। তেওঁ কয়, যে দায়িত্বশীল ৰাষ্ট্ৰসমূহে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰা দেশসমূহক সমৰ্থন কৰিবনে নিৰ্ণায়ক ব্যৱস্থাৰে সমীচিন উত্তৰ দিব সেয়া নিৰ্ধাৰণ কৰিব লাগিব। মস্কোত থকা ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমযোগে কয়, যে শ্ৰী ডোভালে আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা মঞ্চৰ প্ৰথমলানি বৈঠকত অংশ লয় আৰু মস্কোত আয়োজিত সুৰক্ষা বিষয়ৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিবৰ্গৰ চতুৰ্দশ বৈঠকত অংশ লয়। বৈঠকত শ্ৰী ডোভালে সাম্প্ৰতিক সুৰক্ষা প্ৰত্যাহবানৰ সন্মুকীন হ'বলৈ ফলপ্ৰসু কৰি তোলাৰ উদ্দেশ্যে ১৯৪৫ চনৰ দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিৰ পাছত গঠন হোৱা গোলকীয় সংস্থাসমূহৰ সংস্কাৰৰ আৱশ্যকতাত আলোকপাত কৰে। পশ্চিম এছিয়াৰ পৰিস্থিতিৰ বিষয়ে উল্লেখ কৰি শ্ৰী ডোভালে হৰমুজ প্ৰণালী আৰু লোহিত সাগৰৰ দৰে আন্তঃৰাষ্ট্ৰীয় সমুদ্ৰ পথেৰে ব্যৱসায় সুৰক্ষিত কৰা আৰু মুক্ত আহ-যাহ সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। বৈঠকত ভাগ লোৱাৰ সুযোগতে শ্ৰী ডোভালে ৰাছিয়াৰ সুৰক্ষাৰ পৰিষদৰ সচিব ছাৰ্গেই শ্বইগুক সাক্ষাৎ কৰে। তেওঁলোকে প্ৰতিৰক্ষা, সুৰক্ষা, বাণিজ্যিক সম্পৰ্ক, শক্তি আৰু অৰ্থনৈতিত সম্পৰ্কসহ বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ পৰ্যালোচনা কৰে।

০০০০

পশ্চিম এচিয়াৰ ভূ-ৰাজনৈতিক অনিশ্চয়তাৰ মাজতে এয়াৰ ইণ্ডিয়াই ইজৰাইললৈ বিমান সেৱা বন্ধ ৰখাৰ বাবে লোৱা সিদ্ধান্তৰ ম্যাদ জুলাইৰ শেষ ভাগলৈকে বৃদ্ধি কৰিছে। বিমান পৰিবহন সংস্থাটোৱে ইয়াৰ পূৰ্বে তেল অভিভ-দিল্লী আকাশীপথেৰে উৰাণ জুনৰ শেষভাগলৈ স্থগিত ৰখাৰ সিদ্ধান্ত লৈছিল। এয়াৰ ইণ্ডিয়াৰ এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে অঞ্চলটোৰ ভূ-ৰাজনৈতিক পৰিস্থিতিৰ কথা বিবেচনা কৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত বিমান পৰিবহণ সংস্থাসমূহ ব্যয়বহুল ইন্ধন আৰু বিমান পথ নিষিদ্ধকৰণৰ দৰে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰ ফলত বিমান সেৱা পৰিচালনাৰ ব্যয়ো বৃদ্ধি হৈছে। ইপিনে বিমান সেৱা স্থগিত ৰখাৰ ফলত ইজৰাইলত বাস কৰা ৪০ হাজাৰৰো অধিক ভাৰতীয়ৰ উদ্বেগ বৃদ্ধি পাইছে। সীমিত বিকল্পৰ বাবে বিমান যাত্ৰাৰ খৰচো বৃদ্ধি পাইছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত জনজাতীয় সুৰক্ষা মঞ্চৰ প্ৰতিনিধিবৰ্গক সাক্ষাৎ কৰে। শ্ৰী মোদীয়ে বৈঠকৰ অন্তত সামাজিক মাধ্যমযোগে কয়, যে জনজাতীয় সম্প্ৰদায়ৰ প্ৰতি মঞ্চৰ নিষ্ঠা সঁচাকৈ প্ৰশংসানীয়। তেওঁ কয়, যে বৈঠকত জনজাতীয় সম্প্ৰদায়ৰ উন্নয়ন আৰু সৱলীকৰণৰ সৈতে জড়িত বিভিন্ন বিষয় লৈ অৰ্থবহ আলোচনা হয়।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি এখন বৈঠকত কমনৱেলথ গেমছৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ লগতে আহমেদাবাদত আয়োজন হ'বলগীয়া অলিম্পিকৰ প্ৰস্তাৱ আগবঢ়ায়। এই বৈঠকত কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মানসুখ মাণ্ডবিয়া, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, উপ-মুখ্যমন্ত্ৰী হৰ্ষ সংঘৱীকে ধৰি উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰী শ্বাহে কয় যে , নৰেন্দ্ৰ মোডী চৰকাৰে ভাৰতত বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনি আৰু অত্যাধুনিক প্ৰশিক্ষণৰ সুবিধা সম্প্ৰসাৰণ কৰি আহিছে। আহমেদাবাদৰ প্ৰস্তাৱিত বিশ্বমানৰ ক্ৰীড়া অনুষ্ঠানৰ প্ৰতি লক্ষ্য ৰাখি ক্ৰীড়াৰ সুবিধাসমূহ বিকশিত কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি আহমেদাবাদত ক্ৰীড়া আন্তঃগাঁথনি আৰু আনুষংগিক প্ৰকল্পসমূহৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হয় বুলিও তেওঁ জানিবলৈ দিয়ে। উল্লেখযোগ্য যে আহমেদাবাদত ২০৩০ চনৰ কমনৱেলথ গেমছ অনুষ্ঠিত হ'ব আৰু ২০৩৬ চনৰ অলিম্পিকৰ বাবে আনুষ্ঠানিকভাৱে নিবিদা দাখিল কৰা হৈছে।

০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি তিনি দিনীয়া কৰ্ণাটক, গোৱা আৰু কেৰলম ভ্ৰমণসূচীৰে বাংগালুৰুত উপস্থিত হ'ব। তাত তেওঁ আৰ্ট অফ লিভিং সংস্থাটোৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ ল'ব। ইয়াৰ পাছত উপ-ৰাষ্ট্ৰপতগিৰাকীয়ে ডাৱাংগিৰিত বিডিটি বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক মহাবিদ্যাৰয়ৰ মহাৰজত জয়ন্তী উদযাপন অনুষ্ঠানত উপস্থিত থাকিব। শ্ৰী ৰাধাকৃষ্ণনে কাইলৈ পানাজিত গোৱাৰ ৰাজ্য প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰিব। তেওঁ

লগতে গোৱাৰ ৰাষ্ট্ৰীয় সমুদ্ৰ বিজ্ঞান প্ৰতিষ্ঠান পৰিদৰ্শন কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে পৰহিলৈ কৰ্ণাটকৰ বেলথাংগড়িত এছ্‌ আই আৰ আই ঔদ্যোগিক উদ্যান উদ্বোধন কৰাৰ লগতে শ্ৰীক্ষেত্ৰ ধৰ্মস্থল মঞ্জুনাথ স্বামী মন্দিৰ দৰ্শন কৰিব। তাৰ পাছতে তেওঁ কেৰলমৰ কোট্টায়ামত দীপিকা মালয়ালম কাকতৰ ১৪০ সংখ্যক প্ৰতিষ্ঠান দিৱস উদযাপন অনুষ্ঠানত উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই খণ্ডটিৰ বাবে বিনামূলীয়া নম্বৰ ১৮০০-১১-৭৮০০ ত ফোন কৰি আজিৰ ভিতৰত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। ইয়াৰ উপৰি ১৯২২ নম্বৰত মিছডকল দি লাভ কৰা এছ্‌ এম এছ্‌ জৰিয়তেও প্ৰধানমন্ত্ৰীলৈ পোনপটীয়াকৈ দিহা-পৰামৰ্শ আগবঢ়াব পৰা যাব।

০০০০

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি সেৱা চে সমৃদ্ধি শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। পঞ্চায়তৰ নেতৃত্বত সেৱা প্ৰদান ব্যৱস্থাৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কৰ্মশালাত কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী এছ্‌ পি সিং বাঘেল আৰু মন্ত্ৰী অতুল বৰা উপস্থিত থকাৰ কথা। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলকে ধৰি ৰাজ্য চৰকাৰৰ বিষয়াসকল উপস্থিত থাকিব। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব। ডিজিটেল ৰূপান্তৰ জৰিয়তে পঞ্চায়ত নেতৃত্বাধীন সেৱা প্ৰদান শক্তিশালী কৰা, নাগৰিকৰ অংশগ্ৰহণ, উদ্ভাৱন, বহুভাষিক প্ৰশাসন আৰু তৃণমূল পৰ্যায়ত ৰাজহুৱা সেৱা উন্নত কৰাৰ বিষয়ে কৰ্মশালাত আলোচনা কৰা হ'ব।

০০০০

আমেৰিকাই দক্ষিণ ইৰাণত চলোৱা এয়াৰ ষ্ট্ৰাইকৰ প্ৰত্যুত্তৰত ইৰাণৰ ইছলামিক ৰিভল্যুচনেৰী গাৰ্ড কৰ্পছে আমেৰিকাৰ বিমান ঘাটিক লক্ষ্য কৰি লোৱা বুলি প্ৰকাশ কৰিছে। আমেৰিকাই হৰমুজ জলদ্বীপৰ ওপৰেৰে ইৰাণৰ ড্ৰ'ন ধ্বংস কৰাৰ লগতে দক্ষিণ ইৰাণৰ কৌশলগত বন্দৰ চহৰ বান্দাৰ আব্বাছৰ সামৰিক স্থানত আঘাত সনাৰ পাছতে মিছাইল নিক্ষেপেৰে ইৰাণে প্ৰত্যুত্তৰ দিছে। আত্মৰক্ষাৰ বাবে বিগত তিনিদিনৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে ইৰাণৰ সামৰিক ঘাটিত আক্ৰমণ চলোৱা বুলি আমেৰিকাই দাবী কৰিছে। আই আৰ জি চিৰ উদ্ধৃতি দি ইৰাণৰ চৰকাৰী সম্প্ৰচাৰক আই আৰ আই বিয়ে জনোৱা মতে, আজি পুৱাৰ ভাগত আমেৰিকাৰ বিমান ঘাটিত আক্ৰমণ সংঘটিত হয় আৰু ইৰাণৰ ওপৰত পূৰ্বে আমেৰিকাই কৰা আক্ৰমণৰ উৎসক লক্ষ্য কৰি লোৱা হয়। আমেৰিকাৰ চেণ্ট্ৰেল কমাণ্ডে জনোৱা মতে, কুৱেইটত ইৰাণে কৰা আক্ৰমণে যুদ্ধবিৰতি উলংঘা কৰিছে।

ইৰাণৰ সেনা বাহিনীয়ে হৰমুজ জলদ্বীপ আৰু ইয়াৰ আশে পাশে পাঁচটা ড্ৰ'ন নিক্ষেপ কৰিছিল। ইৰাণৰ সকলো ড্ৰ'ন প্ৰতিহত কৰা হয় আৰু ইৰাণৰ বান্দাৰ আব্বাছৰ পৰা নিক্ষেপ কৰা ষষ্ঠখন ড্ৰ'নকো বাধা দিয়া হয়। ইফালে ইৰাণৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ইছমাইল বাকাইয়ে আমেৰিকাৰ আক্ৰমণক গৰিহণা দি কয় যে ইয়াৰ দ্বাৰা যুদ্ধবিৰতি উলংঘা কৰা হৈছে। আই আৰ আই বিৰ উদ্বৃতি দি তেওঁ দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলিও সকীয়াই দিয়ে।০০০

০০০০

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি মেঘালয়ত হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ বুজ ল'ব। তেওঁ লগতে মুখ্যমন্ত্ৰী কনৰাড কে চাংমাৰ শ্বিলঙত এটা বহুমুখী ইণ্ডোৰ ক্ৰীড়া প্ৰকল্পৰ উদ্বোধন কৰিব। প্ৰায় ১৩৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা এই ক্ৰীড়া প্ৰকল্পটো ৰাজ্যখনত হ'বলগীয়া ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অন্যতম আয়োজন স্থলী হিচাপে পৰিগণিত হ'ব। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ যুৱ পৰিক্ৰমা, ক্ৰীড়া আন্তঃগাঁথনি উন্নয়ন আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ ৰূপায়ণৰ পৰ্যালোচনা কৰিব। ৰাজ্যখনৰ যুৱ পৰিক্ৰমা বিভাগে আয়োজন কৰা এটি বিশেষ কাৰ্যসূচীতো শ্ৰী মন্দাভিয়াই অংশ ল'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ৰত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জৰ্ছ বাংগালুৰুৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছে প্ৰথমখন এলিমিনেটৰক ছান ৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি দ্বিতীয়খন কোৱালিফায়াৰত স্থান নিশ্চিত কৰাৰ বিপৰীতে গুজৰাট টাইটানছ প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ হাতত পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছিল।

২০০৮ চনৰ চেম্পিয়ন ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। গুজৰাট টাইটানছেও ২০২২ চনত খিতাপ দখলৰ সাফল্যৰ পুনৰাবৃত্তি ঘটোৱাৰ বাবে প্ৰয়াস কৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ